অসমীয়া প্ৰতিদিন ■ ডিব্ৰুগড় ■ শুকুৰবাৰ, ১ ছেপ্টেম্বৰ, ২০২৩/১৪ ভাদ, ১৯৪৫ শক

# ডিব্ৰু কলেজত সংস্কৃত দিৱস উদ্‌যাপন ঃ সংস্কৃত কেন্দ্ৰ উদ্বোধন



প্ৰতিদিন সংবাদ, ডিব্ৰুগড়, ৩১ আগষ্ট ঃ বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে আজি ডিব্ৰুগড়তো উচ্চ শিক্ষানুষ্ঠান ডিব্ৰু কলেজত বিশ্ব সংস্কৃত দিৱস উদ্‌যাপন কৰাৰ লগতে নতুন দিল্লীৰ কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ এটি কেন্দ্ৰও মুকলি কৰা হয়। এই উপলক্ষে কলেজখনৰ ডিজিটেল সভাকক্ষত অফলাইন আৰু অনলাইনযোগে ‘প্ৰাচীন ভাৰতীয় লিপি’ শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বক্তৃতা প্ৰদান কৰি ৰাজস্থানৰ নাগপুৰ বিশ্ববিদ্যালয়ৰ লিপি বিশেষজ্ঞ ড° আনন শৰ্মাই লিপি অধ্যয়নৰ প্ৰয়োজনীয়তা, ইতিহাস আদিৰ সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰি কয় যে লিপিৰ মাজত অনেক ঐতিহাসিক তথ্য লুকাই থাকে। ভাৰতবৰ্ষত তিনি কোটি পঞ্চাশ লাখ প্ৰাচীন লিপি বিভিন্ন স্থানত সংৰক্ষিত হৈ আছে যদিও আজিও পাঠোদ্ধাৰ সম্পূৰ্ণ হৈ উঠা নাই। আনকি অসমৰ বিভিন্ন স্থানত আজি ৩৫ হেজাৰৰো অধিক প্ৰাচীন লিপি পাঠোদ্ধাৰ নোহোৱাকৈ আছে। এইবোৰ উদ্ধাৰ কৰাৰ প্ৰয়োজন। এইসমূহ চৰকাৰী আৰু বে-চৰকাৰীভাৱে যিমান সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেয়া কৰা হোৱা নাই। সংস্কৃত ভাষাৰ প্ৰতি অনুৰাগী নৱপ্ৰজন্মই এই কাম কৰিব লাগিব। লিপি বিশেষজ্ঞগৰাকীয়ে ভাষণত আজিও ব্ৰিটিছসকলে ভাৰতৰ পৰা লৈ যোৱা ঋগবেদকে ধৰি অনেক লিপি লণ্ডনৰ ‘ৱেলকম লাইব্ৰেৰী অব্ লণ্ডন’ত সংৰক্ষিত হৈ আছে। যিবোৰ ভাৰতীয় লোকক চাবলৈ অনুমতি দিয়া নহয় বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বিভাগৰ মুৰব্বী তথা লেখিকা ড° অদিতি বৰুৱাই আঁতধৰা অনুষ্ঠানটি মুকলি কৰে কলেজখনৰ অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে। আনহাতে উক্ত অনুষ্ঠানতে নতুন দিল্লীৰ কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ এটি কেন্দ্ৰ কলেজখনত আনুষ্ঠানিকভাৱে মুকলি কৰে কলেজখনৰ উপাধ্যক্ষা চন্দনা গগৈয়ে। দিৱস উপলক্ষে বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা সংস্কৃত কবিতা আবৃত্তি প্ৰতিযোগিতাত বনিতা মিৰ্ধা আৰু জিণ্টু মুৰাই যৌথভাৱে প্ৰথম স্থান, মানসপ্ৰতিম ৰাইডঙীয়া, মানৱচাংসা গগৈয়ে দ্বিতীয়, নয়নী মিৰ্ধা, স্নিগ্ধা বৰাগৰ'চী কোঁৱৰ আৰু ববিতা মানকীয়ে তৃতীয় স্থান লাভ কৰাৰ লগতে চিত্ৰাংকণ প্ৰতিযোগিতাত মাণ্টাছা খাতুনে প্ৰথম স্থান, দীপিকা মাহালিয়ে দ্বিতীয় আৰু প্ৰত্যুষ সন্দিকৈয়ে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰে কলেজখনৰ উপাধ্যক্ষা চন্দনা গগৈ, অধ্যাপক ড° নন্দিতা বৈশ্য, ড° সমীৰ ঝা, ড° কমলেন্দু শইকীয়া, গ্ৰন্থাগাৰিক দীপিকা দাস, কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ ডিব্ৰু কলেজৰ শিক্ষয়িত্ৰী পূৰ্ণিমা পাতৰে। ড° অদিতি বৰুৱাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিৰ সামৰণি পৰে ‘বন্দে মাতৰম’ পৰিবেশনেৰে।